# 2017

## ELECTIVE ASSAMESE

Paper : 6.2

**( Asamiya Galpa Guccha )**

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। অতি চমু উত্তৰ দিয়া : ১×১০=১০

(ক) অসমীয়া চুটিগল্পৰ জনক কোন?

(খ) নদৰামৰ ঘৰ ক'ত?

(গ) বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ এখন গল্পপুথিৰ নাম লিখা।

(ঘ) কাৰ সৈতে দয়ালৰ হতাহতি হৈছিল?

(ঙ) "অসমীয়া মানুহেই অসমীয়া মানুহক নামাতে যদি আনে কি কৰিব?" কোনে কৈছিল?

(চ) ৰমা কাৰ পুতেক?

(ছ) কোনখন বিশ্বযুদ্ধৰ আধাৰত 'ডাৱৰ আৰু নাই' উপন্যাসখন ৰচিত হৈছে ?

(জ) গৌৰীৰ সখীয়েকৰ নাম কি ?

(ঝ) বাখৰ কোনখন স্কুলৰ প্ৰধান শিক্ষক আছিল ?

(ঞ) বাখৰৰ মাৰ্কিন অফিচাৰ বন্ধুগৰাকীৰ সম্পূৰ্ণ নাম কি আছিল ?

২। চমু উত্তৰ লিখা : ২×৫=১০

(ক) ৰজনীকান্ত বৰদলৈৰ দুখন ঐতিহাসিক উপন্যাসৰ নাম লিখা।

(খ) ৰামধেনু আলোচনীখন কেতিয়া প্ৰকাশিত হৈছিল? ইয়াৰ প্ৰথম সম্পাদক কোন আছিল ?

(গ) 'ডাৱৰ আৰু নাই' উপন্যাসখনত কোন দুখন চাহ বাগিছাৰ কথা কোৱা হৈছে ?

(ঘ) 'মধুপুৰ বহুদূৰ'ত 'পৰখু দাফাদাৰ' মানে কাক বুজোৱা হৈছে? তেওঁ ক'ৰ মানুহ আছিল ?

(ঙ) মধুপুৰৰ সকলো ঘটনাৰ কেন্দ্ৰ কোন আছিল? মানুহে তেওঁক কি বুলি উল্লেখ কৰিছিল ?





৩। তলৰ প্ৰশ্নবোৰৰ উত্তৰ লিখা : ৫×৪=২০

(ক) লক্ষ্মীনাথ বেজবৰুৱাৰ চুটিগল্পৰ বৈশিষ্ট্য সম্পৰ্কে চমুকৈ লিখা।

(খ) নদবামে কিয় ঘৈণীয়েকক ৰাখিব খোজা নাছিল ?

(গ) গল্পকাৰে 'বাৰিষা' নামটোৰ অৰ্থ কেনেদৰে ব্যাখ্যা কৰিছে ?

(ঘ) 'ডাৱৰ আৰু নাই' উপন্যাসত জীৱন বৰুৱা নামৰ চৰিত্ৰটোৰ ভূমিকা বিশ্লেষণ কৰা।

৪। (ক) অসমীয়া চুটিগল্পৰ বিকাশত 'আৱাহন' আলোচনীয়ে কেনে ভূমিকা লৈছিল ? ১০

*অথবা*

(খ) প্ৰাক্-স্বাধীনতা কালৰ অসমীয়া উপন্যাস সন্দৰ্ভত এটি নিবন্ধ যুগুত কৰা।

৫। (ক) "মধুপুৰখন স্থিৰ হৈ বৈ থকা নাই আৰু এই পৰিৱৰ্তনশীল জগতত মধুপুৰৰ মানুহবো আমূল পৰিৱৰ্তন ঘটিছে।" গল্পটোত এই পৰিৱৰ্তন কেনেদৰে দেখুওৱা হৈছে, আলোচনা কৰা। ১০

*অথবা*

(খ) "কথাবস্তু আৰু কলা-কৌশলৰ প্ৰতি চকু ৰখা কাৰণে বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ গল্পসমূহ ক্ৰুটিহীন।" সমালোচকৰ এই মন্তব্যটি বিচাৰ কৰা।

৬। (ক) "বাখৰ-অনুপমা আৰু ভীম-গৌৰীৰ সংসাৰ ভাঙি যোৱাৰ মূলতে হৈছে দ্বিতীয় বিশ্বযুদ্ধৰ সৰ্বগ্ৰাসী প্ৰভাৱ।" কথাষাৰ কিমানদূৰ সত্য, বিচাৰ কৰা। ১০

*অথবা*

(খ) 'ডাৱৰ আৰু নাই'ত যুদ্ধৰ আতংক-জৰ্জৰ পৰিস্থিতি কিদৰে চিত্ৰিত হৈছে, তাৰ আভাস দিয়া।

৭। (ক) "দ্বিতীয় বিশ্বযুদ্ধই সৃষ্টি কৰা ভোগবাদী মানসিকতাৰ সাৰ্থক প্ৰতিনিধি হৈছে গিৰীণ আৰু নৱকান্ত বৰুৱা।" উক্ত কথাখিনি উপন্যাসৰ আধাৰত বিচাৰ কৰা। ১০

*অথবা*

(খ) 'ডাৱৰ আৰু নাই' উপন্যাসখনৰ আধাৰত বাখৰৰ মানসিক অন্তৰ্দ্বন্দ্বৰ কাৰণ বিশ্লেষণ কৰা।

★★★